Printed Pages—4

**3 (Sem–4) ASM L**

Bijni College Library
P.O. Bijni, Dist. Chirang
(B.T.A.D) Assam

**2015**

# ELECTIVE ASSAMESE

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' গ্ৰন্থখনৰ লিখক কোন?

(খ) অসমীয়া ভাষাত প্ৰথমখন ব্যাকৰণ কোনে ৰচনা কৰিছিল?

(গ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা কেইটা?

(ঘ) বিশিষ্ট ধ্বনিৰ অন্য নাম কি?

(ঙ) ব্যাকৰণগত বিষয় মানে কি?

(চ) কৃৎ প্ৰত্যয় কাক বোলে?

(ছ) সৰ্গ বুলিলে কি বুজা?

(জ) বিভক্তিৰ সংজ্ঞা দিয়া।

(ঝ) অব্যয়ৰ দুটা উদাহৰণ দিয়া।

(ঞ) গঠনৰ ভিত্তিত শব্দক কেইটা ভাগত ভগাব পাৰি?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ইংৰাজী ভাষাৰ মাধ্যমত অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ কোনে ৰচনা কৰিছিল? ব্যাকৰণখনৰ নাম কি?

(খ) অসমীয়া ভাষাত দন্ত্যমূলীয় ধ্বনি কেইটা আৰু কি কি?

(গ) অসমীয়া ভাষাত লিংগ কেইটা আৰু কি কি?

(ঘ) মৌলিক আৰু যৌগিক শব্দ কাক বোলে?

(ঙ) তৎসম শব্দ কাক বোলে? উদাহৰণ দিয়া।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) স্বৰধ্বনিৰ বৈশিষ্ট্য সম্পৰ্কে এটা চমু নিবন্ধ প্ৰস্তুত কৰা।

(খ) অসমীয়া ভাষাৰ লিংগ নিৰপেক্ষ ৰূপ সম্পৰ্কে লিখা।

(গ) অসমীয়া কাৰক আৰু শব্দ বিভক্তি সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঘ) অসমীয়া ভাষাত কি কি উপায়েৰে একবচনৰ অৰ্থ প্ৰকাশ কৰা হয়?

(ঙ) গঠনৰ ফালৰ পৰা বাক্যক কেইটা ভাগত ভগাব পাৰি, উদাহৰণসহ লিখা।

(চ) অসমীয়া ভাষাত প্ৰচলিত বিদেশী শব্দ সম্পৰ্কে এটা টোকা লিখা।

৪। (ক) ব্যাকৰণ ৰচনাৰ উদ্দেশ্য কি? ভাষা-বৈজ্ঞানিক দৃষ্টিভংগীৰে কোনে, কেতিয়া প্ৰথমে অসমীয়া ব্যাকৰণ ৰচনা কৰিছিল? এনে দৃষ্টিভংগীৰে ৰচিত অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা। ২+২+৬=১০

*অথবা*

(খ) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনিৰ সংখ্যা কিমানটা? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনিসমূহৰ তালিকা যুগুত কৰা আৰু এই বিশিষ্ট ব্যঞ্জনধ্বনিসমূহক প্ৰতিনিধিত্ব কৰা আখৰসমূহ প্ৰণালীবদ্ধভাৱে উল্লেখ কৰা। ১+৬+৩=১০

৫। (ক) লিংগৰ সংজ্ঞা কি? অসমীয়াত প্ৰাণীবাচক আৰু অপ্ৰাণীবাচক—এই দুয়োক্ষেত্ৰতে লিংগভেদ হয়নে? অসমীয়াত লিংগ নিৰ্ণয় কেনেকৈ কৰা হয়, উদাহৰণসহ বুজাই লিখা। ১+১+৮=১০

*অথবা*

(খ) অসমীয়া ভাষাৰ বহুবচনৰ প্ৰত্যয়বোৰ কি কি? আলোচনা কৰা। ১০

৬। (ক) সৰ্বনাম কাক বোলে? সৰ্বনামৰ বৈশিষ্ট্যসমূহ কি কি? সৰ্বনামসমূহৰ তিৰ্যক ৰূপৰ বিষয়ে লিখা। ১+৩+৬=১০

*অথবা*

(খ) ধাতু কাক বোলে? উৎপত্তিগতভাৱে অসমীয়া ধাতুবোৰক কি কি ভাগত ভগাব পাৰি? উদাহৰণসহ আলোচনা কৰা। ১+২+৭=১০

৭। (ক) 'অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ'—এই বিষয়ে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) বাক্যতত্ত্ব বুলিলে কি বুজা? অসমীয়া বাক্যতত্ত্ব সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

★ ★ ★